# তুলিকা চেতিয়া য়েইনৰ কবিতা

**কান্দোনৰ দেওজুই**

জোনক আঘাত কৰিবলৈ
কোনে তুলি ধৰে শীৰ্ণ দুহাত
নদীয়ে উটুৱাব পাৰেনে
কান্দোনৰ দেওজুই

ৰাতিবোৰ ইয়াত মৰে প্ৰতাৰণাৰ জ্বালাত

পাহাৰীয়া নৈখনৰ পাৰে-পাৰে
জেনিছা, সমৰিকা, চনিকাৰ
উন্মুক্ত স্তনত আঙুৰ সৰে
ৰাতিবোৰ নাঙঠ হয়
ডাৱৰৰ দৰে সলাবলৈ ধৰে আকাৰ...

সপোনেও ইয়াত আত্মজাহ দিয়ে

শীতৰ জুই একুৰাৰ কাষত
দেশৰখীয়াই গীত গায়
জলফাইৰ জোপোহাবোৰে দেৱদত্তক পহৰা দিয়ে
জোনক আঘাত কৰি গুচি যায় আপেল বনৰ বতাহ
আঙুলিবোৰত নাচোন উঠে

চুচুৰ্মৈ হয় মোৰ শব্দৰ ৰহঘৰা
বুকুৰে সৰকি যায় এপাত কাঁড়
জ্বলি উঠে কান্দোনৰ দেওজুই